# অনাদি অনন্ত

**জুবিন গাৰ্গ**

সাঁচি থোৱা আঘাতে মাধমাৰ দিয়ে
সাঁচি থোৱা আঘাতে সংসাৰ তৰে
সাঁচি থোৱা আঘাতত
আঘাতে আঘাত কৰে

মোৰ প্ৰেমৰ বটবৃক্ষ দোপটদোপে বাঢ়ে
কাকো পৰোৱা নকৰে

**ৰাহুল গৌতম শৰ্মা**

মহাকালৰ মহাকাশ বিয়পি মোৰ প্ৰেমৰ নিচান উৰে

মোৰ ভিতৰে-বাহিৰে
প্ৰেমৰ অন্তহীন আঘাত

উশাহৰ বাটে-ঘাটে
ঘাতমাউৰা মৰমৰ উৎপাত!

**গৰিমা শইকীয়া গাৰ্গ**

অনুভূতিবোৰে বাৰে বাৰে বাগৰ সলায়
মোৰ সপোনবোৰক জোকাই যায়

সময়বোৰো অসহায়
বুজা-নুবুজাৰ মেহফিলত
সপ্তসুৰী ঝংকাৰ মিলি যায়
ঋতুৰে ঋতুৰে ঋতু উৰি যায়...

*'কাঞ্চনজংঘাৰ চিত্ৰগ্ৰহণৰ প্ৰথম পৰ্যায়তে এদিন ৰাতিটো শেষ হোৱাৰ আগে আগে হঠাতে এই টুকুৰা-টুকুৰ কবিতালানিৰ প্ৰসৱ। পাছলৈ কেতিয়াবা এইবোৰ পঢ়ি নিজৰেই আনন্দ লগাৰ অৱকাশ দেখি সাঁচি থোৱা হ'ল। সাঁচি থোৱা সকলোবোৰেই হেনো কোনোৰকমে একোটাহঁত আঘাত -- কোনোবাটো মিঠা, কোনোবাটো বুকু দেই নিয়া! আমাৰনো কি?*

**হাতীমূৰা মন্দিৰ, কলিয়াবৰ।। মাৰ্চ ১৫, ২০১৮**